নিয়মীয়া বার্তা

VOL-13 □ NO-316 □ TUESDAY 23 JANUARY 2024'

(ডিব্ৰুগড় সংস্কৰণ/

## কানৈ কলেজত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান

# ডিব্ৰুগড়ত শিল্পীক সংগীত ৰত্ন-সংগীতজ্যোতি বঁটা প্ৰদান



**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২২ জানুৱাৰী ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৩ সংখ্যক মৃত্যু তিথিৰ স'তে সংগতি ৰাখি ২০ জানুৱাৰীত ডিব্ৰুগড়ত সমাহাৰ ঘটে তিনি শতাধিক শিল্পী আৰু সংগীতপ্ৰেমীৰ। ৬০ দশকৰ পৰা বৰ্তমানৰ প্ৰজন্মলৈকে এইসকল শিল্পীৰ উপস্থিতিত ডিব্ৰুগড়ৰ কানৈ কলেজৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ডিব্ৰুগড়ৰ চাৰিগৰাকী সংগীত শিল্পী, গীতিকাৰ, সুৰকাৰ ক্ৰমে প্ৰশান্ত কুমাৰ বৰদলৈ, হীৰেন গোহাঁই, ৰাজেন গোহাঁই, চৈয়দ ছাদুল্লাক 'সংগীত ৰত্ন' বঁটাৰে সন্মানিত কৰাৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৪১গৰাকী শিল্পীক 'সংগীতজ্যোতি' বঁটাৰে সন্মানিত কৰা হয়। 'সংগীতজ্যোতি' বঁটাৰে সন্মানিত শিল্পীসকল হৈছে ৰাম চাচনি, বিজন হাজৰিকা, ব্ৰজেন পাঠক, ৰামকৃষ্ণ মুখাৰ্জী, সুৰেশ হাতীমূৰীয়া, ড° পৱিত্ৰ কুমাৰ পেগু, মমতা বৰঠাকুৰ, সান্ত্বনা বৰুৱা, পাপৰি দাস, ৰঞ্জু ভট্টাচাৰ্য, কল্পনা সেনগুপ্তা বৰুৱা, ৰুণজুন ফুকন, ৰীণা দাস, চৈয়দা জুৰি ৰহমান, ৰাণা বৰঠাকুৰ, ৰতন চৌধুৰী, চৈয়দ আছাদুল্লা, মিৰ্জা নিয়ামুদ্দিন, পদ্ম দাস, জয়ন্তজিৎ দাস, কল্পনা ভাগৱতী, পৰী বৰদলৈ, মুক্তি সিং লোহাৰ (কেওগৰাকী ডিব্ৰুগড়ৰ), সুলেখা ডেকা, দিলীপ তামুলী, দীপক গগৈ (তিনিও দুলীয়াজানৰ), উমেশ গগৈ, অৱন্তি পামেগাম চেতিয়া (দুয়ো শিৱসাগৰৰ), ৰুমী গোস্বামী, লুইত দাস, বিজন দত্ত (তিনিও তিনিচুকীয়াৰ), মীৰা বেগম (লখিমপুৰ), বনজিৎ ভট্ট (ধেমাজি), শুভ্ৰা বৰুৱা, মিনু বৰুৱা, অনুপ শৰ্মা, নীনা গোহাঁই, শিৱানী বৰুৱা, জাহ্নৱী শৰ্মা, কোকিলা গোস্বামী (সাতোগৰাকী যোৰহাটৰ) আৰু তিতাবৰৰ কণ্ঠশিল্পী ৰেহেনা আখতাৰ হান্নান। প্ৰতিগৰাকীকে আয়োজকসকলৰ দ্বাৰা প্ৰশংসা পত্ৰ, ফুলাম গামোচা, চেলেং চাদৰ, ফুলাম জাপি, শৰাই, স্মাৰক, চিত্ৰশিল্পী ৰাণা দত্তৰ দ্বাৰা অংকিত শিল্পীগৰাকীৰ ফটোৰ লগতে বিভিন্ন উপহাৰেৰে সন্মানিত কৰা হয়। চহৰখনৰ সমাজ-সংস্কৃতিমূলক অনুষ্ঠান শ্ৰুতি শিল্পী সমাজ আৰু এনডি ২৪ চেনেলৰ যৌথ উদ্যোগত আৰু হনুমানবক্স সূৰজমল কানৈ কলেজ, অভীপ্সা কয়েৰ গোষ্ঠী, ডিব্ৰুগড় শিল্পী সমাজ, সুৰীয়া শিল্পী সমাজ, মঞ্চৰূপা, ডিব্ৰুগড় যুৱ শিল্পী সমাজ, মূৰ্ছনা সংগীত বিদ্যালয়ৰ সহযোগত এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকি শুভেচ্ছামূলক সাৰুৱা বক্তব্য আগবঢ়ায় আকাশবাণীৰ গীতিকাৰ সূৰ্য ভাগৱতী, হনুমানবক্স সূৰজমল কানৈ কলেজৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু আকাশবাণী ডিব্ৰুগড় আৰু দূৰদৰ্শন কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত সঞ্চালক লোহিত চন্দ্ৰ ডেকা, এনডি ২৪ চেনেলৰ পৰিচালন সঞ্চালক কিশোৰ বৰাই। অনুষ্ঠানত বঁটাপ্ৰাপকসকলেও নিজৰ অনুভৱ ব্যক্ত কৰে। শ্ৰুতি শিল্পী সমাজৰ সভাপতি ডাঃ নৱজ্যোতি গগৈৰ পৌৰোহিত্য কৰা আৰু সম্পাদক চন্দন পাঠকে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত 'সংগীত ৰত্ন' বঁটাপ্ৰাপককেইগৰাকীৰ জীৱনকৃতি সম্পৰ্কে চমুকৈ আলোকপাত কৰে সহকাৰী সম্পাদক মৃদুল শৰ্মাই। হাছান ইকবাল আহমেদে আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে বিহুৱা জিতেন দাসৰ পৰিচালনাত বিহু প্ৰদৰ্শনৰ লগতে কাৰ্যসূচীৰ মাজতে কেইবাটাও কোৰাছ পৰিৱেশন কৰা হয়।

## কৰ্দৈগুৰি
## পঞ্চায়তত
## কাৰ্ড প্ৰদ



নিয়মীয়া বাৰ্তা, কদৈ
জানুৱাৰী ঃ মাকুম সমি
কৰ্দৈগুৰি গাওঁ পঞ্চায়
ৰেচন কাৰ্ড প্ৰদান
কৰ্দৈগুৰি পঞ্চায়ত
৪৫০ৰো অধিক হি
ৰেচন কাৰ্ড প্ৰদান
এই ক্ষেত্ৰত কৰ্দৈ
পঞ্চায়তেও খাদ
বিভাগৰ লগত
কৰি যোগ্য হিতাধি
বঞ্চিত নহয় তাৰ
প্ৰদান কৰি আহিছে

## এপিএচ

নিয়মীয়া বাৰ্তা, শদিয়
লোকসেৱা আয়োগৰ
প্ৰতিযোগিতামূলক পৰী
৪১৫ সংখ্যক স্থান ল
চুনপুৰাৰ নিৱাসী কৃ
ঢুংগানাৰ জ্যেষ্ঠপুত্ৰ তি
কৰি প্ৰথম অৱস্থাত স্থা
মাধ্যমৰ বিদ্যালয়ত
আছিল আৰু পি
বাতৰিকাকতত তেওঁ
কৰ্মৰত হৈ আছিল।
চলাই এইপৰীক্ষাত স
হৈছে। এপিএছচিৰ
শদিয়াৰ চপাখোৱাৰ অ